**Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2021**

**M.A 3rd Semester**

**Paper: ASM-3016 (Assamese Novel: 1890-2015)**

**Time- 3 Hours** **Full Marks – 80**

১। চমু উত্তৰ দিয়াঃ(যিকোনো দহটা) ১x১০=১০

ক/ ‘এজাক মানুহ এখন অৰণ্য’ গ্ৰন্থখনৰ ৰচক কোন ?

খ/ ৰজনীকান্ত বৰদলৈয়ে মণিপুৰৰ লোক কাহিনীৰ আধাৰত ৰচিত উপন্যাসখনৰ নাম কি ?

গ/ ‘ফেৰেংগাদাও’ উপন্যাসখন কাৰ জীৱন কাহিনীক লৈ ৰচনা কৰা হৈছিল ?

ঘ/ ‘অসমীয়া উপন্যাস সম্ৰাট’ বুলি কাক কোৱা হয় ?

ঙ/ ‘সেউজী পাতৰ কাহিনী’ উপন্যাসত উল্লেখ থকা চাহ বাগান খনৰ নাম কি ?

চ/ ‘‘মই মোক বিচাৰি ওলালো। আনে মোক নিবিচৰাই ভাল’ – এই কথাষাৰ কোনখন উপন্যাসৰ অন্তৰ্গত।

ছ/ ‘বণ্ডুকা বেহাৰ’ গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল ?

জ/ কোনখন উপন্যাসৰ বাবে মামনি ৰয়ছম গোস্বামীয়ে জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

ঝ/ ‘জংগম’ শব্দৰ অৰ্থ কি ?

ঞ/ দেবেন্দ্ৰ নাথ আচাৰ্যই কোনখন উপন্যাসৰ বাবে ‘শ্ৰেষ্ঠ সাহিত্যবঁটা’ লাভ কৰিছিল ?

ট/ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ ‘মৰূদ্যান’ উপন্যাসখন কোন শ্ৰেণীৰ উপন্যাস ?

ঠ/ উপন্যাসক ‘পকেট থিয়েটাৰ’ বুলি কোনে কৈছিল ?

ড/ দেবব্ৰত দাসৰ ‘ধূসৰতাৰ কাব্য’ উপন্যাসখনৰ নায়িকা গৰাকীৰ নাম কি ?

২। চমুকৈ লিখাঃ (যিকোনো দহটা) ২x১০=২০

ক/ ‘সেউজী পাতৰ কাহিনী’ উপন্যাসত উল্লেখ থকা দুটা নৃত্যৰ নাম লিখা।

খ/ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আধাৰিত দুখন উপন্যাসৰ নাম লিখা।

গ/ গোৱালপাৰা সৈনিক স্কুলত অধ্যয়ন কৰি থকা শেখৰৰ সন্তান দুজনৰ নাম কি আছিল ?

ঘ/ ‘মিৰি জীয়ৰী’ উপন্যাসখনৰ পটভূমি কি ? এই উপন্যাসখন কোন শ্ৰেণীৰ উপন্যাস ?

ঙ/ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত কাৰ কাৰ প্ৰভাৱ পৰিছে ?

চ/ বন্ধ উপন্যাস আৰু মুক্ত উপন্যাসৰ মাজত পাৰ্থক্য কি ?

ছ/ ‘আৱাহন’ কাকতখন কিমান চনত প্ৰকাশ হৈছিল ? ইয়াৰ প্ৰথম সম্পাদকগৰাকীৰ নাম কি ?

জ/ হোমেন বৰগোহাঞিৰ প্ৰথম উপন্যাসখনৰ নাম কি ? এইখন কিমান চনত প্ৰকাশ হৈছিল ?

ঝ/ প্ৰথম আধুনিক অসমীয়া উপন্যাসখনৰ নাম কি ? এইখন উপন্যাসৰ ৰচক কোন ?

ঞ/ বীণা বৰুৱা আৰু ৰাস্না বৰুৱা নামেৰে লিখা উপন্যাস দুখনৰ নাম লিখা।

ট/ ‘মৰূদ্যান’ উপন্যাস খনৰ মুখ্য চৰিত্ৰটোৰ নাম কি ? এই উপন্যাস খন কোনখন চহৰৰ পটভুমিত ৰচিত।

ঠ/ দেৱেন্দ্র নাথ আচাৰ্যই কোনখন উপন্যাসৰ বাবে সাহিত্য একাডেমি বঁটা লাভ কৰিছিল, আৰু কিমান চনত ?

ড/ ‘অভিযাত্রী’ উপন্যাসখনৰ লিখক গৰাকীৰ নাম কি ? এই উপন্যাসখন কোন শ্ৰেণীৰ উপন্যাস?

৩। চমুটোকা লিখাঃ (যিকোনো চাৰিটা) 8x৫=২০

ক/ চেতনা প্ৰৱাহ (Stream of Consciousness)।

খ/ ‘পিতাপুত্ৰ’ উপন্যাসৰ শিৱনাথৰ চৰিত্ৰ।

গ/ ‘ধূসৰতাৰ কাব্য’ উপন্যাসত ৰাজনৈতিক চেতনা।

ঙ/ পৰম্পৰাগত উপন্যাস।

চ/ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ইতিহাস চেতনা।

**8।** অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ পৰা আৰম্ভ কৰি প্ৰাক্-স্বাধীনতা কাললৈকে অসমীয়া উপন্যাস সাহিত্যৰ পটভূমিৰ বিষয়ে ধাৰাসমূহ আলোচনা কৰা।

**অথবা**

“বৰদলৈৰ উপন্যাস সমূহৰ ভিতৰত ‘ ৰহদৈ লিগিৰী’তেই ধৰ্মৰ প্ৰভাৱ আটাইতকৈ অধিক পৰিমাণে লক্ষ্য কৰা যায়।“ এই মন্তব্যৰ আধাৰত ‘ৰহদৈ লিগিৰী’ত বামাচাৰী তান্ত্ৰিক পন্থা, যোগ সাধনা, সত্ৰ, মন্দিৰ আদিৰ বৰ্ণনা ঔপন্যাসিকে কেনেদৰে অংকন কৰিছে লিখা।

**৫/** ‘সেউজী পাতৰ কাহিনী’ উপন্যাসত ঔপন্যাসিকে চাহ জনগোষ্ঠীৰ জীৱন ধাৰাৰ কোনবোৰ দিশত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে উদাহৰণসহ এটি আলোচনা দাঙি ধৰা।

**অথবা**

হোমেন বৰগোহাঞিৰ ‘পিতাপুত্ৰ’ উপন্যাসত সমসাময়িক সমাজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশটো কিদৰে অংকন কৰিছে উদাহৰণসহ আলোচনা কৰা।

**৬/** দ্বিতীয় মহাযুদ্ধৰ পটভূমিত ৰচিত ‘জংগম’ উপন্যাসত ব্ৰহ্মদেশত থকা ভাৰতীয় মূলত কৃষক আৰু অন্যান্য লোকসকলৰ জীৱন আৰু জীৱিকাৰ সমস্যাটো ঔপন্যাসিকে কিদৰে দাঙি ধৰিছে উপযুক্ত উদাহৰণসহ আলোচনা কৰা।

**অথবা**

উত্তৰ আধুনিকতাবাদী উপন্যাসৰ বৈশিষ্ট্য সমূহ উল্লেখ কৰা। এই বৈশিষ্ট্য সমূহৰ প্ৰতিফলন দেৱব্ৰত দাসৰ ‘ধূসৰতাৰ কাব্য’ উপন্যাসত কিমানখিনি ঘটিছে তাৰ এই সমীক্ষা আগবঢ়োৱা।

**অথবা**

চেতনাস্ৰোত পদ্ধতিত ৰচিত ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ ‘মৰূদ্যান’ নামৰ উপন্যাসখনৰ এটি আলোচনা আগবঢ়োৱা।

****************

**Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2021**

**M.A 3rd Semester**

**Paper: ASM-3026 (Translation: Theory and Practice)**

**Time- 3 Hours** **Full Marks – 80**

১। চমু উত্তৰ দিয়াঃ(যিকোনো দহটা প্ৰশ্নৰ উত্তৰ কৰিবা) ১x১০=১০

ক/ 'On Linguistic Aspect of Translation' নিবন্ধটোৰ লেখক কোন ?

খ/ ৰাছিয়ান ভাষাত সোমবাৰ, মঙ্গলবাৰ আৰু বুধবাৰ কি লিঙ্গ ?

গ/ 'Food made of Pressed Curd'- ইংৰাজী শব্দটো কি ?

ঘ/ 'মৃত্যুঞ্জয়' উপন্যাসখনত থকা 'হাঁচতি' শব্দটোৰ বিপৰীতে ইংৰাজী অনুবাদত কি শব্দ প্ৰয়োগ কৰিছে ?

ঙ/ 'মৃত্যুঞ্জয়'ৰ ইংৰাজী অনুবাদত 'তামোল' শব্দটোৰ বহুবচন ৰূপ কি কৰা হৈছে ?

চ/ 'আষাঢ় কী একদিন'– হিন্দী নাটকখন অসমীয়াত ভাঙনি কৰা অনুবাদকগৰাকীৰ নাম কি ?

ছ/ 'অগ্নিস্নান' চলচ্চিত্ৰখনৰ মূল উৎস গ্ৰন্থখন কি ?

জ/ 'অগ্নিস্নান' ৰূপান্তৰ নে ভাষান্তৰ ?

ঝ/ 'Roman Jakobson' নামটো অসমীয়া লিপ্যংকন কৰা।

ঞ/ শাব্দিক অনুবাদ কি ?

ট/ কোনডোখৰ কালক হাঙ্গেৰীয় সাহিত্যৰ পুৰ্নজীৱন বোলা হৈছে ?

ঠ/ মিজাটভিচ কোন ? তেওঁ চাৰ্বীয় পাঠক শ্ৰেণী কাৰ সৃষ্টি বুলি কৈছে ?

২। চমুকৈ লিখাঃ (যিকোনো দহটা) ২x১০=২০

ক/ হীৰেণ ভট্টাচাৰ্য্যৰ 'দেশ আৰু অন্যান্য বিষয়ক কবিতা'টোৰ শিৰোনাম প্ৰদীপ আচাৰ্য্যই ইংৰাজী অনুবাদত কিদৰে প্ৰকাশ কৰিছে ?

খ/ উৎসপাঠ আৰু লক্ষ্যপাঠ কি ?

গ/ 'কেঁচা বৰলক জোকাই ললে গা সাৰিবলৈ টান'- মৃত্যুঞ্জয় উপন্যাসৰ আৰম্ভণিতে থকা ভিভিৰামৰ উক্তিটো ধীৰেন্দ্ৰনাথ বেজবৰুৱাই ইংৰাজীলৈ কিদৰে অনুবাদ কৰিছে ?

ঘ/ লিপ্যংকন আৰু লিপ্যন্তৰৰ মাজত পাৰ্থক্য কি ?

ঙ/ ভাষান্তৰ আৰু ৰূপান্তৰৰ মাজত পাৰ্থক্য কি ?

চ/ 'আষাঢ় কী একদিন'- নাটকখনত নাৰী চৰিত্ৰ কেইটা আছে ? উক্ত নাটকখনৰ প্ৰধান নাৰী চৰিত্ৰটোৰ নাম কি ?

ছ/ আষাঢ় কী একদিন নাটকখনত থকা কালিদাসৰ চৰিত্ৰটো এটা কাল্পনিক প্ৰতীকাত্মক চৰিত্ৰ বুলি ধৰিব পাৰিনে ?

জ/ ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই কেতিয়া জ্ঞানপীঠ বঁটা লাভ কৰিছিল ? লগতে জ্ঞানপীঠ বঁটা লাভ কৰা কিতাপখনৰ নাম কি ?

ঝ/ ড° ভূপেন হাজৰিকাই তেওঁৰ কালজয়ী গীত 'বুঢ়া লুইত তুমি বোৱা কিয়'ৰ হিন্দী অনুবাদটো কিদৰে কৰিছে ?

ঞ/ অসমীয়াৰ দৰে হিন্দী ভাষাত বিশেষণীয় বিশেষণৰ ব্যৱহাৰ আছেনে ? এটা উদাহৰণেৰে সৈতে বুজাই দিয়া।

ট/ ‘He is a pig’- এই ব্যঞ্জনামূলক বাক্যটোৰ অসমীয়া ভাঙনি কি হ’ব ?

ঠ/ অসমীয়া বিজ্ঞাপনৰ বাবে দুটি বাক্য লিখা।

ড/ মৌখিক অনুবাদ কি ?

৩। যিকোনো চাৰিটাৰ উত্তৰ দিবাঃ- ৪x৫=২০

ক/ মৃত্যুঞ্জয়ৰ জতুৱাঠাচ যুক্ত বাক্যৰ ইংৰাজী অনুবাদ

খ/ অনুবাদৰ ক্ষতি আৰু প্ৰাপ্তি

গ/ অনুবাদ যোগ্যতা

ঘ/ অনুবাদৰ বিশ্বাস যোগ্যতা

ঙ/ আন্তঃসাংস্কৃতিক অনুবাদ

চ/ অনুবাদ আৰু সংস্কৃতি

৪। যিকোনো তিনিটাৰ উত্তৰ লিখিবাঃ- ১০x৩=২০

ক/ হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাকেইটা প্ৰদীপ আচাৰ্য্যই ইংৰাজীলৈ কৰা অনুবাদে ইয়াৰ বিশ্বাসযোগ্যতা আৰু সাৱলীলতা কিদৰে বজাই ৰাখিবলৈ সক্ষম হৈছে উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা।

খ/ মৃত্যুঞ্জয় উপন্যাসখনত প্ৰতিফলিত হোৱা অসমীয়া সমাজৰ ৰুচি-অভিৰুচি, আচাৰ-নীতি আৰু সমাজ-সংস্কৃতিমূলক কথাবোৰ ধীৰেন্দ্ৰনাথ বেজবৰুৱাই তেখেতৰ ইংৰাজী অনুবাদত কিদৰে স্ংৰক্ষণ কৰাৰ চেষ্টা কৰিছে উদাহৰণসহ আলোচনা কৰা।

গ/ ‘আষাঢ় কী একদিন’ নাটকখন অসমীয়ালৈ অনুবাদ কৰোতে অনুবাদিকাই কিমান দূৰ সফলতা অৰ্জন কৰিছে চমুকৈ আলোচনা কৰা।

ঘ/ এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰোতে অনুবাদকৰ সমুখত কেনে ধৰণৰ প্ৰত্যাহ্বান আহিব পাৰে ৰোমান জেক’বচনৰ প্ৰবন্ধটোৰ আলমত বিচাৰ কৰা।

ঙ/ কোনো সাহিত্যৰ বিকাশত অনুবাদে কিদৰে সহায় কৰে কৃষ্ণকান্ত সন্দিকৈৰ ‘অনুবাদৰ কথা’ৰ আধাৰত বিচাৰ কৰা।

চ/ অনুবাদৰ সাংস্কৃতিক সমস্যাবোৰ বহলাই আলোচনা কৰা।

***************

**Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2021**

**M.A 3rd Semester**

**Paper: ASM-3066 (Varieties of Assamese Language)**

**Time- 3 Hours** **Full Marks – 80**

১৷ চমু উত্তৰ দিয়াঃ- ১x১০=১০

ক/ নৃ-গোষ্ঠীয় ভাষা বুলিলে কি বুজা ?

খ/ সামাজিক শ্ৰেণী উপভাষা কি ?

গ/ উপভাষা বুলিলে কি বুজা ?

ঘ/ নামনি অসমৰ ১টা প্ৰধান নৃ-গোষ্ঠীয় ভাষাৰ নাম লিখা ?

ঙ/ খ্ৰীষ্টীয় কিমান শতিকাৰ পৰা আৰ্যভিন্ন থলুৱা ভাষাসমূহ বিকশিত হ'বলৈ অৰম্ভ কৰে /

চ/ ৰাজবংশী ভাষাত প্ৰবল ৰূপে উচ্চাৰিত হোৱা ধবনি কোনটো ?

ছ/ অসমৰ যিকোনো এটি নৃ-গোষ্ঠীয় উপভাষাৰ এবিধ আ-অলংকাৰৰ নাম লিখা ?

জ/ ৰাভামিজত অন্ত্যঅৱস্থাত 'জ'ৰ প্ৰয়োগ কেনেদৰে কৰা হয় ?

ঝ/সাদৰি ভাষাত কেইটা বিশিষ্ট স্বৰধবনিৰ ব্যৱহাৰ আছে ?

ঞ/ মৰিয়া উপভাষা কোন শ্ৰেণীৰ উপভাষা ?

২৷ তিনি চাৰিটা বাক্যত তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়াঃ- ২x১০=২০

ক/ উপভাষা কি ? যিকোনো এটা উপভাষাৰ চাৰিটা ৰূপগত বৈশিষ্ট্য উল্লেখ কৰা ৷

খ/ উপভাষা সৃষ্টিৰ চাৰিটা কাৰণ উল্লেখ কৰা ৷

গ/ গোৱালপৰীয়া উপভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধবনিৰ সংখ্যা কিমান ?

ঘ/ দেশী ভাষাত মান্য অসমীয়াৰ 'চৰাই' আৰু 'জাকৈ' শব্দদুটাৰ ৰূপ কি ?

ঙ/ সাদৰি ভাষাত ব্যৱহৃত বচন দুবিধৰ নাম উল্লেখ কৰা ?

চ/ ৰাভামিজৰ দুটা ব্যক্তিবাচক শব্দৰ প্ৰয়োগ লিখা ৷

ছ/ হাজং উপভাষাত বাংলা আৰু হিন্দীৰ পৰা অহা যিকোনো আঠটা শব্দৰ উদাহৰণ দিয়া ৷

জ/ কৈৱৰ্ত সম্প্ৰদায়ৰ ভাষাৰ ৰূপগত বৈশিষ্ট্য চাৰিটা উল্লেখ কৰা ৷

ঝ/ কাপৰূপী উপভাষাৰ শব্দত অপিনিহিতিৰ বিষয়ে লিখা ৷

ঞ/ অসমীয়া ভাষাৰ নৃ-গোষ্ঠীয় ভাষিক উপাদানৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ৷

৩। চমু উত্তৰ দিয়াঃ- (যিকোনো চাৰিটা) ৪x৫=২০

ক/ দেশী বা গোৱালপৰীয়া উপভাষাৰ ৰূপগত বৈশিষ্ট্যৰ চাৰিটা উদাহৰণ দিয়া।

খ/ নলবাৰী আৰু বৰপেটা অঞ্চলত প্ৰয়োগ হোৱা বহুবচনাত্মক প্ৰত্যয়সমূহ কি কি ?

গ/ মধ্য অসমৰ উপভাষাৰ উপভাষিক বৈশিষ্ট্য দাঙি ধৰা।

ঘ/ উপভাষাৰ সীমা নিৰ্ধাৰণ কৰা।

ঙ/ মিচিংসকলৰ সৰ্বনামৰ মান্য-তুচ্চ ৰূপ কিদৰে ব্যৱহাৰ হয়।

চ/ মৰিয়াসকলৰ ভাষাৰ ভাষাগত বৈশিষ্ট্য উল্লেখ কৰা ?

৩। ৰচনাধৰ্মী উত্তৰ দিয়াঃ- (যিকোনো তিনিটা) ১০x৩=২০

ক/ দৰঙী আৰু কামৰূপী উপভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধবনিৰ সাদৃশ্য আৰু বৈসাদৃশ্য নিৰূপন কৰা।

খ/ অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনত উপভাষাই কিদৰে ভূমিকা গ্ৰহণ কৰিছে ফঁহিয়াই আলোচনা কৰা।

গ/ সামাজিক উপভাষাৰ অন্তৰ্গত বিষয়বোৰ নিৰ্ণয় কৰি এটি প্ৰবন্ধ লিখা।

ঘ/ অসমীয়া নৃ-গোষ্ঠীয় ভাষা হাজংমিজৰ ধ্বনিগত বৈশিষ্ট্যসমূহ দাঙি ধৰা।

ঙ/ ছপা আৰু বৈদ্যুতিন মাধ্যমে ভাষা শিক্ষণত কি ভূমিকা গ্ৰহণ কৰে আলোচনা কৰা ?

***************

**Department of Assamese, B.N. College, Dhubri**

**Pre-Final Examination – 2021**

**M.A 3rd Semester**

**Paper: ASM-3096 ( Assamese Vaisnavite, Saiva and Sakta Literature)**

**Time- 3 Hours** **Full Marks – 80**

১। চমু উত্তৰ লিখাঃ- (যিকোনো দহটা) ১x১০=১০

ক/ মধু আৰু কৈটভ অসুৰক কোনে বধ কৰিছিল ?

খ/ ৰক্তবীজ কোন আছিল ?

গ/ ৰূদ্ৰসিংহৰ শিৱপুৰাণৰ মুঠ কেইটা শ্লোক অনুবাদ কৰিছিল ?

ঘ/ কোনখন পুৰাণৰ মতে শিৱ আৰু মহিষৰ মাজত কোনো পাৰ্থক্য নাই ?

ঙ/ নামঘোষাক কিয় হেজাৰীঘোষা বুলি কোৱা হয় ?

চ/ নীলাচল পাহাৰত থকা শক্তিপীঠ খনৰ নাম কি ?

ছ/ 'নৱধা' ভক্তি কি ?

জ/ তামিল প্ৰদেশত কোনে ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল ?

ঝ/ উত্তৰ ভাৰতৰ ভক্তি ধৰ্মৰ গুৰি ধৰোতা কোন ?

ঞ/ দক্ষিণ ভাৰতৰ নায়মাৰ সকলে কাক উপাসনা কৰিছিল ?

ট/ 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' গ্ৰন্থখনৰ ৰচক কোন ?

ঠ/ মহিষাসুৰক নাৰীৰ হাতত মৃত্যু হ'ব বুলি কোনে অভিশাপ দিছিল ?

ড/ 'শিৱপুৰাণ'ৰ কোনটো অধ্যায়ত লিংগৰূপী শিৱৰ মহত্ত্ব কথন কৰা হৈছে ?

২। দুই বা তিনিটা বাক্যত উত্তৰ লিখাঃ- (যিকোনো দহটা) ২x১০=২০

ক/ "ৰূদ্ৰসিংহৰ 'শিৱপুৰাণ' পুথিখনিক শিৱপুৰাণ নুবুলি শিৱাষ্টক বুলিলেহে ৰজিতা খায়"- কথাষাৰৰ তাৎপৰ্য কি ?

খ/ ধন্বন্তৰি কোন ? তেওঁ কিয় আবিৰ্ভাৱ হৈছিল ?

গ/ শিৱপুৰাণৰ অষ্টম শ্লোকত কিহৰ বৰ্ণনা আছে ?

ঘ/ 'শিৱপুৰাণ'ত বৰ্ণিত ৰূদ্ৰৰ পঞ্চমূৰ্তিৰ লক্ষণ কি কি ?

ঙ/ ইন্দ্ৰক মহেশে কিয় শাপ দিছিল ? আৰু এই কথাৰ বৰ্ণনা শিৱপুৰাণৰ কোনটো অধ্যায়ৰ অন্তৰ্গত ?

চ/ আৰণ্যক আৰু উপনিষদ কি ?

ছ/ শক্তিবাদ কি ?

জ/ শ্ৰৱণ আৰু কীৰ্তন বুলিলে কি বুজা ?

ঝ/ আলৱাৰ আৰু নায়নমাৰসকল কোন ?

ঞ/ শ্ৰী শ্ৰী চণ্ডীত সন্নিৱিষ্ট বামনপুৰাণৰ পৰা আহৰণ কৰা তিনিটা সমলৰ কথা উল্লেখ কৰা।

ট/ বিশিষ্ট দ্বৈতবাদ বুলিলে কি বুজা ?

ঠ/ ‘‘ৰসময়ী ভকতি’’ কি ?

ড/ ভক্তি আন্দোলনক কর্ণাটকত কি নামেৰে জনা যায় ? এই আন্দোলনৰ নেতৃত্ব কোনে দিছিল ?

৩। চমুটোকা লিখাঃ- (যিকোনো চাৰিটা) ৪x৫=২০

ক/ কীৰ্তনঘোষা

খ/ নামঘোষা

গ/ শ্ৰী শ্ৰী চণ্ডী

ঘ/ ৰুচিনাথ কন্দলী

ঙ/ ৰূদ্ৰসিংহ

চ/ অৱতাৰবাদ আৰু একেশ্বৰবাদ

ছ/ দাস্য ভক্তি

জ/ অৰ্চন ভক্তি

৪। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঃ- ৩x১০=৩০

ক/ কীৰ্তনঘোষাৰ ‘হৰমোহন’ খণ্ডৰ দাৰ্শনিক তাৎপৰ্য্য বুজাই লিখা।

খ/ নামঘোষাত মায়াৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

গ/ অনেক ঘোষাৰ মূলভাৱ সংস্কৃত শ্লোকৰ পৰা লোৱা হ’লেও কি কি গুণত নামঘোষা এখন উৎকৃষ্ট ভক্তিকাব্য ৰূপে পৰিগণিত হৈছে, আলোচনা কৰা।

ঘ/ অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ পৰিচয় দিয়া আৰু ভাৰতীয় নৱবৈষ্ণৱ ধাৰাত ইয়াৰ স্বকীয়তা নিৰূপণ কৰা।

ঙ/ ৰুচিনাথ কন্দলীৰ পৰিচয়সহ শ্ৰী শ্ৰী চণ্ডীত সন্নিৱিষ্ট আখ্যান ভাগৰ চমু বৃত্তান্ত দাঙি ধৰা।

চ/ শিৱ পুৰাণৰ প্ৰথম অধ্যায়ৰ কথাখিনি বৰ্ণনা কৰা।

***********